

কিশলয়

# কিশলয়

(৩)

হাতে লিখা আলোচনী

৩য় বছৰৰ ৩য় সংখ্যা

সম্পাদনা সমিতি

* তত্ত্বাৱধায়ক : ড° উৎপলা দেৱী (সহকাৰী অধ্যাপিকা)
* সদস্য শিক্ষকবৃন্দ তথা
  উপদেষ্টামণ্ডলী : ড° বিভা দত্ত গগৈ
  শ্ৰীযুক্তা অনুৰাধা ভূঞা
  শ্ৰীযুত বুদ্ধেশ্বৰ কোঁচ
  শ্ৰীযুত ৰিতেশ দুৱৰা
* সম্পাদিকা : শ্ৰীমতী পৰিস্মিতা বুঢ়াগোহাঁই
* সহ সম্পাদিকা : শ্ৰীমতী ৰবিনা সোণোৱাল
* বেটুপাতৰ শিল্পী : বিশ্ববিকাশ বৰুৱা
* সদস্য / সদস্যা : অসমীয়া বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰী
* প্ৰস্তুত কৰোঁতা : শ্ৰীমতী পৰিস্মিতা বুঢ়াগোহাঁই
  শ্ৰীমতী ৰবিনা সোণোৱাল
  'অসমীয়া বিভাগ'
  ধেমাজী কলেজ
* অংগসজ্জা : শ্ৰীমতী পৰিস্মিতা বুঢ়াগোহাঁই
  শ্ৰীমতী ৰবিনা সোণোৱাল
  '৫ম ষাণ্মাসিক'

ধেমাজি মহাবিদ্যালয়ৰ
অসমীয়া বিভাগৰ পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰী
২০১৭, ৬ ছেপ্টেম্বৰ

শ্ৰীমতী পৰিস্মিতা বুঢ়াগোহাঁই
শ্ৰীমতী ৰবিনা সোনোৱাল
শ্ৰীমতী হেৰানী কোঁৱৰ
শ্ৰীমতী বৰষা কোঁচ
শ্ৰীমতী বিভাৰানী কছাৰী
শ্ৰীমতী বিদিশা বৰা
শ্ৰীমতী মল্লিকা বৰ্মন
শ্ৰীমতী পল্লবী গগৈ
শ্ৰীমতী মনস্মিতা বৰুৱা
শ্ৰীমতী ৰাজশ্ৰী বৰা
শ্ৰীমতী দেৱাৰতী নৰহ
শ্ৰী বিক্ৰম বৰুৱা
শ্ৰী বিশ্বজিত দত্ত
শ্ৰী বসন্ত কোঁচ
শ্ৰী সুজান পেগু ।

'কিশলয়' পঞ্চম বছৰ পঞ্চম সংখ্যা ধেমাজি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক বৃন্দলৈ উপহাৰ স্বৰূপে শ্ৰদ্ধাৰে অৰ্পণ কৰা হ'ল

## সূচীপত্ৰ


(১) প্ৰবন্ধ : 'বন্দী জিজ্ঞাসা'ৰ কবি মহিম বৰা
শ্ৰীমতী ৰবিনা সোনোৱাল

(২) প্ৰবন্ধ : ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ জীৱন কৃতি
শ্ৰীমতী চন্দ্ৰনিকা কোঁচ

(৩) প্ৰবন্ধ : ৰহস্যবাদী কবি নলিনীবালা দেৱীৰ কাব্যিক প্ৰতিভা
শ্ৰীমতী মহিমা বড়া (প্ৰাক্তন)

(৪) গল্প : নৰেন মাষ্টৰ
শ্ৰীমতী হেৰানী কোঁৱৰ

(৫) কবিতা : সোঁৱৰণি — শ্ৰী বিজিত দাস

(৬) কবিতা : জীয়াতে — শ্ৰীমতী দেৱাজ্যোতি শইকীয়া

(৭) কবিতা : এজাক বৰষুণ — সোণোৱাল
শ্ৰীমতী পাৰিস্মিতা বুঢ়াগোঁহাই

(৮) কবিতা : ৰাতি — শ্ৰীমতী দীপশিখা লালুং

(৯) কবিতা : শৰতৰ কঁহুৱা — শ্ৰীমতী জীতাশ্ৰী বুঢ়াগোঁহাই।

(১০) কবিতা : পূৰ্ণ হ'ব মোৰ আশা — শ্ৰীমতী কমলা দাস

(১১) কবিতা : ঢৌৰ বাবে — শ্ৰীমতী ৰবিনা সোনোৱাল।

(১২) কবিতা : ৰঙাগুৰি হৃদয় — শ্ৰীমতী বিজয়লক্ষ্মী হাজৰী

(১৩) অন্যান্য শিতান,

ফকৰা-যোজনা
ডাকৰ বচন
ভজুৱা গীত
কৌতুক
সাঁথৰ

# বিভাগীয় প্ৰধানৰ একলম..

ড° উৎপলা দেৱী
বিভাগীয় প্ৰধান, অসমীয়া বিভাগ
ধেমাজী মহাবিদ্যালয়

অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ পাঠ্যক্ৰম অনুসৰি ভাষা, সাহিত্য আৰু সংস্কৃতি বিষয়ৰ বিভিন্ন দিশৰ অধ্যয়ন কৰিব লগীয়া হয়। পুঁথিগত জ্ঞান লাভ কৰাৰ লগতে তেওঁলোকক প্ৰায়োগিক দিশতো পাৰদৰ্শী কৰি তুলিবৰ বাবে অসমীয়া বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে চেষ্টা কৰি আহিছে, যাৰ পৰিণতিত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে 'কিশলয়' শীৰ্ষক এখনি হাতেলিখা আলোচনী শিক্ষক দিৱসৰ লগতে সংগতি ৰাখি প্ৰকাশ কৰি আহিছে।

আন বছৰৰ দৰে এইবছৰো ছাত্ৰ-ছাত্ৰীসকলে 'কিশলয়' প্ৰকাশৰ দিহা কৰিছে আৰু আলোচনীখনি যাতে প্ৰকাশ কৰি উলিয়াব পাৰে তাৰ বাবে প্ৰয়োজনীয় দিহা পৰামৰ্শ আগবঢ়োৱা হৈছে। আলোচনীখনত সন্নিৱিষ্ট সকলো লেখাই যে উন্নত পৰ্যায়ৰ তেনে নহয়, তদুপৰি সীমিত সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে প্ৰবন্ধ, কবিতা আদি দিয়াত কিছু অসুবিধাৰো সৃষ্টি নোহোৱাকৈ থকা নাই। তথাপি, পঞ্চম যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ

আৰু সেইটো মহাবিদ্যালয়ত এটা সাংস্কৃতিক-পৰিৱেশ সৃষ্টি কৰাৰ লগতে সকলোকে আগ্ৰহান্বিত কৰি তুলিব বুলি আমি আশা কৰিব পাৰোঁ। কিশলয়ে চিৰজীৱি হৈ থকাৰ কামনা কৰিলোঁ।

বিভাগীয় মুৰব্বী
অধ্যাপিকা
ড° উৎপলা দেৱী
০৬-০৯-২০১৭

# সম্পাদকীয় একলম

- শ্ৰীমতী পাৰমিতা
বুঢ়াগোহাঁই
পঞ্চম ষাণ্মাসিক

ইতিহাসে ঢুকি নোপোৱা কালতে মানৱ সমাজত ভাষা আৰু লিপিৰ উদ্ভৱ হৈছিল। ভাষা আৰু লিপিৰ সংমিশ্ৰণত ফলেও সাহিত্যৰ সৃষ্টি হয়। প্ৰথমে মানুহে তাম্ৰপত্ৰ, শিলা খণ্ড, শাঁচিপাত অথবা জীৱ জন্তুৰ ছালতহে লিখিছিল। অৱশ্যে এইবোৰ সাহিত্য চৰ্চা বুলি কʼলে ভুল নহব, বৰঞ্চ দৈনন্দিন ঘটনা প্ৰবাহক লিখিতভাৱে সংৰক্ষণ কৰিছিল বুলি কʼলেহে শুদ্ধ হব। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে-লগে লিখাৰ মাধ্যম সলনি হৈছে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগত আমি ছপা ৰূপত পুথি পাৰ্বলৈ সক্ষম হৈছো আৰু পুৰণি হস্তলিখিত পুথি লিখাৰ সংস্কৃতি সময়ৰ সোঁতত হেৰাই যায়। সেই বুলিয়ে আমি নতুন প্ৰজন্মই হস্তলিখিত পুথি লিখা কলাক বিদায় দিয়া উচিত নহয়। হাতে লিখা পুথিৰ নিজস্ব

আধুনিকতা থাকে।

এনে মনোভাবেৰে আমি অসমীয়া বিভাগৰ তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰী সকলে অসমীয়া বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ সহযোগত প্ৰতিবছৰৰ দৰে এইবছৰো 'কিশলয়' শীৰ্ষক হস্তলিখিত আলোচনীখন প্ৰস্তুত কৰি উলিয়াইছোঁ। এই হস্তলিখিত আলোচনীখন বিভাগীয় ছাৰ-বাইদেউ সকলৰ পৰামৰ্শ লৈ আমাৰ ছাত্ৰ-ছাত্ৰী সকলে লিখি দিয়া লেখাৰে আলোচনীৰ আৰ্হি অনুসৰি প্ৰস্তুত কৰি উলিওৱা হৈছে। ইয়াত কিমান সফল হৈছোঁ সেয়া পাঠকে বিচাৰ কৰিব। আশা কৰোঁ অনাগত দিনবোৰত অসমীয়া বিভাগৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে এই আলোচনীখনক হেৰাই যাবলৈ নিদি প্ৰকাশৰ ব্যৱস্থা কৰে যেন। সামৰ্থ্য অনুসৰি আলোচনীখনক এটা সুন্দৰ ৰূপ প্ৰদান কৰিবলৈ আমি যিমান পাৰোঁ যত্ন কৰিছোঁ। আশা কৰো হৈ যোৱা ভুল ত্ৰুটিখিনি বিচাৰ বিবেচনা কৰি 'কিশলয়'ক (লিখনি সমূহ) আন্তৰিকভাৱে গ্ৰহণ কৰিব।


# প্রবন্ধ....



## ‘ৰঙা জিজ্ঞাসা’ৰ কবি ‘মহিম বৰা’

শ্ৰীমতী ৰবিনা সোনোৱাল
পঞ্চম ষাণ্মাসিক

ৰোমাণ্টিক যুগৰ জলবায়ু সেৱন কৰি আধুনিক চেতনাৰ জগতত আহি ভোজ দিয়া আৰু অসমীয়া সাহিত্যৰ সৃষ্টিমুখী আধুনিকতা উদাৰ সংবেদনশীল মানৱতাবাদৰ জাতীয় সাজেৰে সজাই পৰাই তুলা এগৰাকী মানবতাবাদী কথাশিল্পী গৰাকীয়েই হ'ল আমাৰ কবি ‘মহিম বৰা’। আধুনিক অসমীয়া সাহিত্যৰ এজন প্ৰভাৱশালী লেখক মহিম বৰা। মহিম বৰা জন্ম হয় ১৯২৪ চনত। পিতৃৰ নাম আছিল গজেন্দ্ৰনাথ বৰা আৰু মাতৃৰ নাম চন্দ্ৰকান্তি বৰা।



কথাশিল্পী মহিম বৰা দৰং জিলাত জন্ম হ'লেও বৰাৰ শৈশৱকাল পাৰ হৈছিল নগাঁৱৰ কলিয়াবৰত। কলিয়াবৰৰ হাতীবৰ প্ৰাইমেৰী স্কুলত শিক্ষাৰম্ভ কৰা মহিম বৰাই কলিয়াবৰ হাইস্কুলৰ পৰাই প্ৰবেশিকা পৰীক্ষা পাছ কৰে। তাৰ পাছত ১৯৪৮ চনত কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পাছত ১৯৪৯ চনত কলিয়াবৰ হাইস্কুলত শিক্ষকতাৰে কৰ্মময় জীৱনত পাতনি মেলা মহিম বৰাই ক্ৰমান্বয়ে যোৰহাটৰ জগন্নাথ বৰুৱা কলেজত সাতমাহ শিক্ষকতা কৰে আৰু নগাঁও কলেজত অসমীয়া বিভাগত প্ৰবক্তাৰূপে যোগদান কৰি ১৯৮৭ চনত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে অৱসৰ লয়।

ছাত্ৰ অৱস্থাৰ পৰাই অসমীয়া বিভাগৰ মহিম বৰাই সাহিত্য চৰ্চাৰ কামত মনোনিবেশ কৰিছিল। সাহিত্য চৰ্চাত ব্ৰতী হৈ সপ্তম শ্ৰেণীত ‘মলয়া’ নামৰ আলোচনীত প্ৰকাশ পোৱা ‘হাভাতৰ দুখ’ গল্পটিয়ে মহিম বৰাৰ প্ৰথম গল্প। তাৰ পাছত বৰদৈচিলা আলোচনীত প্ৰকাশ

পায় তেওঁৰ প্ৰথম ছপা গল্প 'জীৱন মৰা'। আনকি কলেজত পঢ়ি থাকোঁতে 'শেৱালী' আলোচনীত বেক বেল্লাৰ ছদ্মনামেৰেও তেওঁ গল্প কবিতা লিখিছিল। তেওঁৰ প্ৰথম গল্প সংকলন 'কাঠনি বাৰীৰ ঘাট' ১৯৬১ চনত প্ৰকাশ পায়। আন গল্পপুথি সমূহ হ'ল - দেওৱা গৰকা প্ৰেম, অঁহ পিপলি আৰু পূজা, বগুদুজী বিজুজ, এখন নদীৰ মৃত্যু, ৰাতিফুলা ফুল, বৰযাত্ৰী, মোৰ প্ৰিয় গল্প, মহিম বৰাৰ গল্প সমগ্ৰ ইত্যাদি। একমাত্ৰ কাব্যসংকলন 'ৰঙা জিওতা'। প্ৰবন্ধ সংকলনসমূহ চিন্তা বিচিত্ৰা, সাহিত্য বিচিত্ৰা, সৃষ্টি আৰু প্ৰেৰণা। অন্য ৰচনা হ'ল - মোমাইৰ পদুলিত বাকিলো খোঁৱা। তেওঁ উপন্যাসসমূহ - মেঘোৱা দিগন্তৰ মায়া। শিশু সাহিত্য হ'ল - বত্ৰিশ পুতলাৰ সাধু, জোনমণিৰ হাঁহি। সম্পাদিত গ্ৰন্থ - 'শংকৰদেৱৰ নাট' আৰু 'ৰাজা ৰামমোহন ৰায়' তেওঁৰ একমাত্ৰ অনুদিত গ্ৰন্থ।

মহিম বৰাৰ অবিস্মৰণীয় প্ৰতিভাক সলাজি ড° হীৰেন গোহাঁই কৈছে - তেনেকৈ কেৱল মহিম বৰাতে লিখিব পাৰে। তেওঁৰ প্ৰত্যেকটো গল্প অনন্য। 'ৰঙা জিওতা' কাব্যগ্ৰন্থৰ জৰিয়তে কবিয়ে এক নিজস্ব কাব্য ধাৰণা নিজস্ব শৈলীৰে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। কবিৰ নিজস্ব জীৱনবোধৰ সংপৃক্ত 'ৰঙা জিওতা' কবিতাটোৰ অসাধাৰণ কাব্যিকতা তথ্য আৰু অনুভূতিৰ গাঢ়তা আৰু গভীৰতাত মুগ্ধ প্ৰায় সকলো সমালোচকেই তেওঁৰ কাব্য প্ৰতিভাক একেমুখে স্বীকৃতি দিছে।

১৯৭৮ চনত অসম সাহিত্য সভাৰ গোলাঘাট অধিবেশনৰ কবি সন্মিলনত সভাপতি আছিল। ১৯৮০ চনত 'ৰাতি ফুলা ফুল' গল্পসংকলনখনৰ বাবে অসম প্ৰকাশন পৰিষদ বঁটা লাভ কৰে। ১৯৮৯ চনত অসম সাহিত্য সভাৰ ডুমডুমা অধিবেশনত সভাপতিৰ পদত

অলংকৃত কৰে । ১৯৯৮ চনত তেওঁৰ জীৱনজোৰা সাহিত্য কৰ্মৰ বাবে মেগৰ শিক্ষা ন্যাস প্ৰদত্ত অসম উপত্যকা বঁটা লাভ কৰে । ২০০১ চনত এধানি মাহীৰ হাঁহি উপন্যাসৰ বাবে সাহিত্য একাডেমী বঁটা লাভ কৰে ।

শেষত ক'ব পাৰি যে মহিম বৰা গল্প আৰু কবিতা এই দুই বিভাগতে শিল্পৰূপ সৃষ্টিত মহিম বৰা আছিল নিজস্ব প্ৰতিভা আৰু সংৰচনাৰে সমুজ্জ্বল । গাঁৱলীয়া জীৱনৰ পৰা চহৰীয়া জীৱনলৈ সামৰি ৰখা মহিম বৰা মৌচাক আছিল । গ্ৰাম্য জীৱনৰ মিঠা সুৰীয়া সুবাদ জোখাৰে তেখেতে সমৃদ্ধ কৰি তুলিছিল এখন সুসংহত অসমীয়া সমাজ । এই মহান ব্যক্তি গৰাকী ২০১৬ চনৰ ৮ আগষ্টত আমাৰ মাজৰ পৰা আঁতৰি গ'ল । মহিম বৰাৰ অসমীয়া সমাজৰ পৰা কায়িক শৰীৰ আঁতৰি গ'লেও তেখেতৰ সৃষ্টি সমৃদ্ধ স্মৃতি সমাজত সদায়েই উজ্জ্বল তাৰকাৰ দৰে চিৰ সমুজ্জ্বল হৈ থাকিব । এই গৰাকী মহান অথবা উদাৰ মনোভাৱসম্পন্ন ব্যক্তিগৰাকীৰ স্মৃতি অসম সাহিত্য সভাকে ধৰি ৰজাঘৰ প্ৰজাঘৰ তথা শিক্ষানুষ্ঠান সমূহে গৌৰৱ আৰু সংৰক্ষণ কৰা নিতান্তই প্ৰয়োজন ।

* * * * * * *

# ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জীৱন কৃতি

শ্ৰীমতী চম্পালিকা কোঁচ
তৃতীয় ষাণ্মাসিক

বিশ্বৰ প্ৰখ্যাত কেইগৰাকীমান ব্যক্তিৰ কথা স্মৰণ কৰিলে আমাৰ চকুৰ আগত ধৰা দিয়া ব্যক্তিসকলৰ ভিতৰত মোক বিশেষ ভাৱে আকৰ্ষণ কৰা ব্যক্তি গৰাকী হ'ল ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ।

শুভ্ৰ, ৰেচমী, ধলবগা, আঁঠুলৈকে দীঘল কোট আৰু ধুতী, মূৰত শুভ্ৰ পাগুৰী, দুটি আলোকসম্পন্ন চকু, বিৰল ব্যক্তিত্বৰ অধিকাৰী এই ব্যক্তি গৰাকী আমাৰ সকলোৰে চিনাকী। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম হয় মাদ্ৰাজৰ (বৰ্তমান চেন্নাই) পৰা উত্তৰ-পশ্চিম দিশে ৪০ কি:মিটাৰ দূৰত অৱস্থিত তিৰুত্তানি নামৰ এখন সৰু চহৰত ১৮৮৮ চনৰ ৫ ছেপ্তেম্বৰত।

তেওঁৰ পিতৃ-মাতৃৰ নাম ক্ৰমে বীৰস্বামী উদ্দ্যা আৰু চিতাম্মা। তেওঁলোক আছিল তেলেগু ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোক। গোড়া হিন্দু পৰিয়ালত জন্ম গ্ৰহণ আৰু ১২ বছৰলৈকে হিন্দুৰ তীৰ্থস্থান তিৰুত্তানি আৰু তিৰুপতিত ধৰ্মীয় পৰিৱেশৰ মাজত ডাঙৰ দীঘল হৈছিল বাবে তেওঁৰ জীৱনত ধৰ্মীয় বিশ্বাস আৰু আধ্যাত্মিকতাই গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল।

ৰাধাকৃষ্ণণ এগৰাকী অধ্যৱসায়ী প্ৰতিভা সম্পন্ন ছাত্ৰ আছিল। ১২ বছৰ কাল খ্ৰীষ্টান পাদ্ৰীসকলৰ দ্বাৰা পৰিচালিত হাৰ্মানবাৰ্গ ইভানজেলিকেল লুথাৰিয়ান, (১৮৯৬ - ১৯০০), ভোৰহীজ কলেজ ভেলোৰ আৰু মাদ্ৰাজ খ্ৰীষ্টান কলেজত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰকসকল দ্বাৰা শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰা হেতুকে তেওঁ যথেষ্ট হিন্দু ধৰ্মৰ প্ৰকৃত

অধ্যয়ন কৰা উপাধিত শিক্ষানুষ্ঠানত প্ৰধান দৰ্শন পাঠৰ জন্য বাইবেলে অধ্যয়ন কৰা সুযোগ লাভ কৰে।

ৰাধাকৃষ্ণন আছিল এগৰাকী বহুমুখী প্ৰতিভাৰ সম্পন্ন ব্যক্তি। বিশ্বৰ ভিতৰত এমন সৰ্বশ্ৰেষ্ঠ ৰাষ্ট্ৰ নায়ক অভিপ্ৰায়েৰে নেহৰুৱে তেওঁক ৰাষ্ট্ৰীয় কাৰ্যক্ৰমত অংশ-গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছিল। তেওঁৰ অনুৰোধ ক্ৰমে ৰাধাকৃষ্ণণে ৰাজনৈতিক ক্ষেত্ৰত ভৰি দিছিল। ৰাধাকৃষ্ণনক ১৯৪৯ চনত ছোভিয়েট ৰাছিয়াৰ ৰাষ্ট্ৰদূত হিচাপে নিয়োগ কৰে। তেওঁ ১৯৫২ চনত স্বাধীন ভাৰতৰ প্ৰথমগৰাকী উপ ৰাষ্ট্ৰপতিৰ কাৰ্যভাৰ গ্ৰহণ কৰি পুনৰ দ্বিতীয়বাৰৰ ১৯৫৭ চনত তেওঁ ভাৰতৰ উপ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। ১৯৬২ চনত পুনৰ তেওঁ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈছিল। তেওঁ দুবাৰকৈ উপৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হোৱা সময়ত গুণমুগ্ধ সকলে তেওঁৰ জন্মদিন পাতিবৰ প্ৰস্তাৱ আগবঢ়াইছিল যদিও তেওঁ এই প্ৰস্তাৱত সন্মতি জনোৱা নাছিল। বৰকৈ অনুৰোধ কৰাৰ পাছত তেওঁ এক চৰ্ত ৰাখিছিল যে তেওঁৰ জন্ম দিনটো শিক্ষক দিৱস হিচাপে ৰূপে পালন কৰিব লাগিব। চৰ্তটো মানি লোৱা হৈছিল। প্ৰসিদ্ধ শিক্ষাগুৰু ৰাজেন্দ্ৰ প্ৰসাদৰ জন্মদিনো ৫ ছেপ্তেম্বৰ। তেওঁৰ সমাজৰ প্ৰতি গুৰু দায়িত্ব উপলব্ধি কৰি এই দিৱস পালনৰ সন্মতি প্ৰদান কৰে। ১৯৬২ চনৰ ৫ ছেপ্তেম্বৰত প্ৰথমটো শিক্ষক দিৱস পালন কৰা হয়। ১৯৭৪ চনৰ পৰা এই দিৱসটো চৰকাৰীভাৱে পালন কৰা হৈছিল আৰু বৰ্তমানেও উক্ত দিনটোত শিক্ষক দিৱস হিচাপে উদ্‌যাপন কৰি অহা হৈছে

এই বিশ্ববৰেণ্য ব্যক্তি গৰাকী ৰাষ্ট্ৰপতি পদৰ পৰা অৱসৰ লোৱাৰ পাছত মাদ্ৰাজৰ মায়লাপুৰত

অৱস্থিত নিজ বাসভৱন গোবিজাত ১৯৭৫ চনৰ ২৫ এপ্ৰিলত তাৰিখে শেষ নিশ্বাস ত্যাগ কৰে।

* * * * *

# ৰহস্যবাদী কবি নলিনীবালা দেৱীৰ কাব্যিক প্ৰতিভা

অসমীয়া কবিতাৰ জগতত ৰহস্যবাদী চিন্তাৰ সাৰ্থক প্ৰয়োগ ঘটাই এলানি উচ্চ ভাৱাপন্ন মনোমোহা কবিতা ৰচনা কৰি গৈছে কবি নলিনীবালা দেৱীয়ে। অসমীয়া কাব্য সাহিত্যত তেওঁ স্থান আগশাৰীত। সাহিত্য অকাদেমী বঁটাৰে সন্মানিত হোৱা তেওঁৱেই প্ৰথম অসমীয়া মহিলা কবি। নলিনীবালা দেৱী অসমৰ সৰ্বশ্ৰেষ্ঠ মহিলা কবিয়েই কেৱল নহয়, সমগ্ৰ কবিৰ মাজতে অন্যতম শ্ৰেষ্ঠ কবি। ভাৰতীয় ধৰ্ম আৰু দৰ্শনৰ প্ৰতি থকা অগাধ বিশ্বাসে নলিনীবালা দেৱীৰ কবিতাসমূহক নিয়ৰত তিতি থকা সেৱালি ফুলৰ দৰে নিষ্পাপ আৰু মোহনীয় কৰি তুলিছে। ব্যক্তিগত জীৱনৰ বিষাদ বেদনাৰ মাজতো ঈশ্বৰক পোৱাৰ আকাংক্ষাই কবিক আন্তৰিক বল শক্তি প্ৰদান কৰিছে। অসমীয়া সাহিত্যৰ ৰমন্যাস যুগৰ কালছোৱাত কবিতাৰ উপাসিকা কৰা সাহিত্যৰ ক্ষেত্ৰতো এই গৰাকী লেখিকাই বিশিষ্ট অৰিহণা যোগাই গৈছে।

অসমীয়া কাব্য সাহিত্যত ৰহস্যবাদী কবি হিচাপে প্ৰসিদ্ধ কবি নলিনীবালা দেৱীৰ ৰহস্যবাদৰ স্বৰূপ সম্পৰ্কে সংজ্ঞাৰ

আকাৰে আৰু নানা ব্যাপাৰ জৰিয়তে ইয়াক বুজিবলৈ যত্ন কৰিছে। সাহিত্য আৰু সংজ্ঞা পদ্ধতি ৰহস্যবাদ সম্পৰ্কে এইদৰে কোৱা হৈছে-
যি বিষয়ে আমাৰ কৌতূহল উদ্রেক কৰে অথচ সেই কৌতূহল চৰিতাৰ্থ নহয় যাৰ বিষয়ে সঠিক জ্ঞান ইন্দ্ৰিয় গ্ৰাহ্য নহয় অথচ অতীন্দ্ৰিয়, সেয়ে ৰহস্যবাদ। এই-পৰিদৃশ্যমান জগতখনেই প্ৰকৃত সত্য নহয় চাক্ষুষ দৃষ্টিৰ অগোচৰ আৰু এখন জগত আছে যাৰ সন্ধান ধ্যানীজনৰ অন্তৰ্দৃষ্টি বা সহজ জ্ঞানৰ দ্বাৰাহে লভ্য, মানৱ অভি-জ্ঞতাৰ সমাহাৰেৰে তাক লাভ কৰিব নোৱাৰি ঈশ্বৰেই একমাত্ৰ সত্য ব্ৰহ্মসত্য জগৎ মিথ্যা ইত্যাদি ভাবচিন্তাক ৰহস্যবাদত আশ্ৰয় দিয়া হয়।

নলিনীবালা দেৱী তেওঁ কিশোৰী কালৰ পৰা, কবিতাৰে কবি জীৱন আৰম্ভ কৰা নলিনীবালা দেৱীয়ে তেওঁৰ জীৱন অসংখ্য কবিতা ৰচনা কৰি অসমীয়া ভাষা সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই গৈছে। কবিতাৰ উপৰিও সাহিত্যৰ বিভিন্ন দিশত প্ৰতিভাৰ পৰশ বুলাই কেইবাখনো অমূল্য গ্ৰন্থ ৰচনা কৰি অসমীয়া ভাষা সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই গৈছে। কবিতাৰ উপৰিও সাহিত্যৰ বিভিন্ন দিশত প্ৰতিভাৰ

প্ৰতিপন্ন কৰা হয়। যদিও তেওঁৰ কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰিলে কবিতা সমূহ কেইটামান বিভাগত বিভক্ত কৰিব পাৰি। সেই বিভাগকেইটা হ'ল - ৰহস্যবাদী কবিতা, প্ৰকৃতি কবিতা, দেশপ্ৰেমমূলক কবিতা; বিষাদৰ কবিতা আৰু অন্যান্য বিষয়মূলক।

তেওঁৰ কবিতাত আত্মাৰ অবিনশ্বৰতা আৰু জন্মান্তৰবাদত কবিৰ গভীৰ বিশ্বাস মৃত্যুৱেই জীৱনৰ শেষ নহয়। দেহ বা পাৰ্থিব শৰীৰৰ বিনাশ হব পাৰে, কিন্তু আত্মা অজৰ অমৰ। অপূৰণ কৰ্মৰ বাবে আত্মাৰ এই পৃথিৱীলৈ পুনৰাগমন ঘটে। যেনে -

"কতবাৰ জনমিলো তোমাৰ কোলাত
পোচিলো আকৌ উভতি
অপূৰণ কৰমৰ বোজ বান্ধি লই
ধৰি ধৰি আহিলো উভতি।"
(পৰম তৃষ্ণা)

নলিনীবালা দেৱীৰ কবিতাসমূহৰ মাজেদি আৰু কৰ্মময় জীৱনৰ প্ৰতিটো কৰ্মৰ মাজেদি ব্যক্তিগত প্ৰকৃতিৰ আকৰ্ষণীয় ৰূপ ফুটি উঠিছে। নাৰী চৰিত্ৰৰ প্ৰেম, ত্যাগ, ক্ষমা, কৰুণা, দয়া আদি গুণসমূহ তেওঁ ব্যৱহাৰ আৰু কৰ্মৰ মাজেদি প্ৰকাশ পাইছিল।

পৰম বুলাই কেইবাখনো অমূল্য গ্ৰন্থ ৰচনা কৰি গৈছে। তেওঁৰ প্ৰকাশিত কবিতা সংকলন সমূহ হ'ল - সন্ধিয়াৰ সুৰ, সপোনৰ সুৰ, পৰশমণি, যুগদেৱতা, জাগৃতি, অলকানন্দা এই কবিতা সমূহৰ উপৰিও স্মৃতিতীৰ্থ আৰু বিশ্বদীপা, এই দুখন তেওঁৰ উল্লেখযোগ্য জীৱনী গ্ৰন্থ।

তেওঁ অধিকাংশ কবিতাৰ মাজত ৰহস্যবাদী বা ৰহস্যসন্ধানী মনৰ পৰিচয় পোৱা যায়। ঘাত-প্ৰতিঘাতৰে ভাৰাক্ৰান্ত জীৱন পথত ভুকলা হৈ এখানি শান্তিৰ বাবে কবিয়ে পৰমপুৰুষৰ সন্ধান বিচাৰি ব্যাকুল হৈ পৰিছে। আত্মসমৰ্পণৰ কৰুণ সুৰ আৰু অতীন্দ্ৰিয় ভাবৰ ব্যঞ্জনাই কবিৰ কবিতাসমূহক অনিৰ্বচনীয় সৌন্দৰ্য প্ৰদান কৰিছে। ভাৰতীয় দৰ্শনে বিশেষকৈ বেদান্তৰ জন্মান্তৰবাদ, কৰ্মফলবাদ আৰু ভক্তিবাদ নলিনীবালাৰ কবিতাক ভাৱপূৰ্ণ কৰিছে।

নলিনীবালা দেৱীৰ কবিতাত আন্তৰিক ভাৱে সৌন্দৰ্যলোক আনন্দিকতা অসীমৰ প্ৰতি উদাসী ভাৱ ফুলাই ধৰাৰ বৰ্ণ-বৈভৱত উল্লাস মাধ্য, মাধুৰ্য, ভাবৰ মৃদু ব্যঞ্জনা, দৰ্শনৰ সুষম্‌লব্ধ, আধ্যাত্মিক বিচ্ছেদৰ বেদনা, চিৰসুন্দৰৰ স্পৰ্শ পৰমানুভৱৰ নীলাম্বিত গতিত প্ৰকাশিত হৈছে। সেয়েহে তেওঁ কবিতাৰ মূল সুৰ ৰহস্যবাদ বুলিয়েই

যেনে – 'তোমাৰ চুমনি মাতে
ধ্বংসস্তূপ ধৰণীৰ কলুষ কালিমা
প্ৰেমৰ প্ৰদীপ জ্বালি
কৰ্তব্যৰ অনুসাৰে
সংসাৰ পথত নিতে বিলোৱা
সুষমা।'
(নাৰী জাগৃতি

গীতা উপনিষদ আৰু নৱবৈষ্ণৱৰ আস্তিক্যৰ দ্বাৰা প্ৰভাৱিত হৈ সুকীয়া বৈশিষ্ট্যৰে ৰচনা কৰা কবিতাসমূহে কবি এক চিন্ময় লোকত অৱতীৰ্ণ হৈছে। চিন্তাৰ গভীৰতা প্ৰকাশৰ আন্তৰিকতা সহজ মাধুৰ্য; ভাষাৰ ছন্দ আৰু ভাবৰ সুষ্ঠ ব্যঞ্জনাৰে কবিতাসমূহ অসমীয়া ৰহস্যবাদী কবিতাৰ বহুমূলীয়া সম্পদ।

শ্ৰীমতী অৰ্চনা বড়া
প্ৰাক্তন ছাত্ৰী

* * * *

# গল্প....



# নৰেন মাষ্টৰ

শ্ৰীমতী ভৱানী কোঁৱৰ
পঞ্চম ষাণ্মাসিক

নৰেন মাষ্টৰৰ ঘৈণীয়েক অৰুণিমাই 'গল ব্লাডাৰ ৰোগত আক্ৰান্ত হৈ আজি পাঁচদিন ধৰি একে ৰাজে বিচনাতে পৰি আছে। যোৱা পাঁচদিনৰ আগতে তেওঁৰ এটি ব্যক্তিগত চিকিৎসকে একস্ৰে কৰাই আনিছে। একস্ৰে ৰিপৰ্টত 'ষ্টোন ব্লাডাৰ' ৰোগ ধৰা দিছে। সেয়ে নৰেন মাষ্টৰ এতিয়া নিৰুপায় হৈ পৰিছে। কাৰণ দুই এদিনৰ ভিতৰতে তেওঁৰ মেডিকেলত ঘৈণীয়েক অৰুণিমাৰ অপাৰেচন কৰাৰ কথা আছে। অৰ্থৰ অভাৱত উঁহ ফুটাই থকা নৰেনৰ জীৱনত এইটোৱেই আটাইতকৈ ডাঙৰ দুৰ্যোগ। সেয়েহে নৰেন মাষ্টৰক এতিয়া আঠো টকা লাগে। যিকোনো উপায়ে তেওঁ টকা উলিয়াবই লাগিব। কিন্তু নৰেন মাষ্টৰৰ ওচৰত ঘৈণীয়েকৰ অপাৰেচনৰ কাৰণে টকা উলিওৱাৰ কোনো পথ নাই। উপায়হীন হৈ নৰেন মাষ্টৰে সেতিয়া মাহি অকণ মাটি কেইডৰাকে ওচৰৰ এজনক বন্ধকত দি টকা কেইটামান লৈ সন্ধিয়াৰ আগে আগে ঘৰত সোমাল। অতিতিয়াকৈ হাত-মুখ ধুই ঘৈণীয়েক পৰি থকা কোঠাটোলৈ গৈ খিৰিকি এখন মেলি দি দূৰ দিগন্তত ভুৰ খাবলৈ ধৰা বগডুৰা খেলিমেলি চাই পঠিয়ালে আৰু মনতে কিবা-কিবি ভাবিবলৈ ধৰিলে।

নৰেন মাষ্টৰ। অঞ্চলটোৰ এটি পৰিচিত নাম। নৰেন মাষ্টৰৰ সংসাৰত পত্নী অৰুণিমাৰ উপৰিও দুটা লৰা-ছোৱালী। তাৰে লৰা অপৰূপে বসু কলেজৰ মাজেৰে তেওঁৰ কলেজ এখনত স্নাতক মহলাত পঢ়ি আছে। আৰু ছোৱালী নিশাই এইবাৰ মেট্ৰিক পাছ কৰি স্থানীয় উচ্চতৰ মাধ্যমিক বিদ্যালয়খনত উচ্চতৰ মাধ্যমিকত নামভৰ্তি কৰিছে। নৰেন মাষ্টৰৰ সংসাৰখনক জনবৰতে 'অভাৱ' নামৰ ৰাক্ষসটোৱে

প্ৰায়ে কৰিয়েই থাকে। আজি ত্ৰিশ বছৰৰ আগতে অঞ্চলৰ একমাত্ৰ উচ্চতৰ হাইস্কুল এমনকি গোটেই অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অতি জনপ্ৰিয় হৈ পৰা নৱেন মাষ্টৰে জীয়াই থকাৰ কাৰণে কিমান যে জীৱনৰ লগত যুঁজিব লাগিছে, অথচ পাৰি থকা সকলো হ'ব লগা হৈছে; তাৰ কোনো হিচাপ নাই। শিক্ষকৰ মহান আদৰ্শৰ হেতু কোনোদিনেই আপোচ নকৰা এইজনা মহান শিক্ষকক বিপদত আৰ্থিকভাৱে সহায় দিবলৈ আজি তেওঁৰ ওচৰত কোনোৱেই নাই। দুবেলা দুমুঠি খাই কোনো ৰকমে সংসাৰ চলাই নিয়া নৱেন মাষ্টৰ কোনো দিশতে পিছ পৰি থকা ব্যক্তিও নহয়। সমাজৰ সৰ্বদিশতে নৱেন মাষ্টৰক অতীব প্ৰয়োজন। নাট, ভাওনা, থিয়েটাৰ আদিত এইগৰাকী ব্যক্তি নহ'লেই নচলে। ইয়াৰ উপৰিও যিকোনো মেল মিটিং আদি সমাজৰ অন্যান্য কামবোৰতো তেওঁ সদায় আগৰণুৱা। কিন্তু নৱেন মাষ্টৰ আৰ্থিক ভাৱে দুৰ্বল এজন ব্যক্তি। ত্ৰিশ বছৰৰ আগতে উচ্চ শিক্ষাৰে শিক্ষিত হোৱা এইজনা ব্যক্তিয়ে দুই এটা ভাল চাকৰি পাইছিল যদিও এক অজানিত মোহত অঞ্চলটোৰ স্কুলখনতেই মাষ্টৰ হৈ ৰ'ল। স্কুলখনৰ লৰা-ছোৱালীবিলাকৰ মোহত অন্ধ হৈ, নিজকে বিলাই দিলে বিনাবেতনে শিক্ষাদানৰ নিচিনা এটা মহৎ কৰ্তব্য। শেষত কেতিয়াবা কথা প্ৰসংগত তেওঁৰ পত্নী অৰুণিমাক কয়," বুজিছা অৰুণিমা, জীৱনত এদিনৰ বা ডাক্তৰ হ'ম বুলি ভাবিছিলো; কিন্তু হৈ গ'লো মাষ্টৰ।" এই অমায়িক নৱেন মাষ্টৰে আজি ত্ৰিশ বছৰে চৰকাৰৰ বেতনভোগী নোহোৱা সত্বেও তেওঁৰ মনত কোনো আক্ষেপ নাই, ক্ষোভ নাই। কৰ্তব্যৰ প্ৰতি কিঞ্চিত মানো গাফিলতি নাই। সেইখেতে এৰি হৈ অহাদিনবোৰৰ কোনোবা ভাল লগা এটি ক্ষণত পত্নী অৰুণিমাক সান্ত্বনা দি কৈছিল," অৰুণিমা এইবাৰ কোনো চিন্তা নাই স্কুলবোৰ

চৰকাৰে লয় ।" অৰুণিমাই উত্তৰত কয়," সদায় স্কুল হয় বুলিয়ে যোৱা ভুলো কিন্তু কামাইনিও নহয় ।" অৱশেষত পল্লী অৰুণিমাই লৰা-ছোৱালী হালক পঢ়োৱাবলৈ, যাৱতীয় সা-সৰঞ্জাম-ৰ কাৰণে বহুত কষ্ট স্বীকাৰ কৰিব লগা হৈছে । গাৰ অলংকাৰ বিক্ৰী কৰাৰে পৰা মানুহৰ ঘৰে ঘৰে কাম, বন কৰি দুই-এপইচা উলিয়াই লৰা ছোৱালীহালক পঢ়োৱালৈকে তাইৰ কষ্ট কোনো গুণেই কম নহয় । অধ্যাপিকা তেওঁ এজন আদৰ্শ শিক্ষক । সাংসাৰিক জীৱনত অভাৱে ভুকলা কৰা এজন অবৈতনিক শিক্ষক । তেওঁ স্কুলখনকে নিজা ঘৰ বুলি ভাবে, ছাত্ৰ-ছাত্ৰীসকলক নিজা সন্তান বুলি, ভাবা এজন মহান শিক্ষক । শিক্ষকতাই তেওঁৰ বৃত্তি, ধৰ্ম । জীৱনৰ এই অনন্ত যাত্ৰাত, তেওঁ বৰ আশাবাদী । ইতিমধ্যেই বেলি পশ্চিমাকাশত বিলীন হৈ সন্ধ্যা নামি নৰেন মাষ্টৰৰ ক্ষুদ্ৰ পঁজাটিলৈ কেতিয়াবাই আন্ধাৰ নামি আহিল, নৰেন মাষ্টৰে যেতিয়াই দাপালে । পিৰিকীমান বন্ধ কৰি ৰোগত আক্ৰান্ত হৈ থকা অৰুণিমালৈ এবাৰ গভীৰ দুখে দৃষ্টিৰে চাই বলে একো সম্ভাৱনাময় প্ৰতিশ্ৰুতিৰে । সেই মুহূৰ্ততে অৰুণিমাই টোপনিৰ পৰা সাৰ পাই শিৰীষক দেখি মোকা-মুকি মাতেৰে সুধিলে ঔষধ-পাতিৰ কাৰণে টকা বিচাৰি পাইছেনে নাই । উত্তৰত নৰেন মাষ্টৰে মাটি বন্ধকত দি পাই অহা টকা কেইটাৰ কথা কলে । গৃহিনীয়েক অৰুণিমাই ইয়াৰ পাছত আৰু কিবা-কিবি অস্পষ্ট মাতেৰে সুধিছিল যদিও তিৰিয়েক নৰেন মাষ্টৰে উত্তৰ দিয়াৰ ইচ্ছা নকৰিলে । তেওঁ সাৱধানে পাক-ঘৰলৈ সোমাই গল আৰু আন্ধাৰে আন্ধাৰে বিচাৰি তেওঁ চুকশালা আৰু কেৰাচিন তেলৰ বটলটো বাহিৰলৈ উলিয়াই আনিলে । সি বাহিৰত দেখিলে যে বটলটোত কেৰাচিন তেল বুলিবলৈ নাই । বটলটোৰ তলিত তেল অকণ মানহে লাগি আছে । অতিতিয়াকৈ তেওঁ সেই কনকে চাকিটোত ঢালি

চাবিটো জ্বলাই অৰুণিমাৰ কোঠাটোলৈ গ'ল। নৱেন মাষ্টৰে কিয় এটা ভাবি সাউতকৰে থৈ গৈ বিচনাৰ গাত লাগি থকা পুৰণি বাকচটোৰ ওচৰ পালেগৈ। সি বাকচটোৰ হুকটো খুলিবলৈ আৰম্ভ কৰিলে। ছেকেণ্ডা গোন্ধ এটা তাৰ নাকত লাগিলহি। পুৰণা কাগজ-পত্ৰ, ফাইল ইত্যাদিৰে বাকচটো ভৰি আছে। গিৰীয়েক নৱেনৰ কাণ্ড-কাৰখানা অৰুণিমাই বিচনাৰ পৰাই উৎকণ্ঠাৰে চাই আছিল। সি বাকচৰ ভিতৰৰ বস্তুবোৰ ইফাল সিফাল কৰি কিবা এটা বিচাৰিছে। অৰুণিমাই ভাবিলে কাঁহি-বাটি নাইবা মূল্যবান বস্তু একো নাই। সোণ-অলংকাৰ বুলিবলৈকো একো নাই। তেন্তে হ'লে কি বিচাৰিছে তেওঁ? সি বাকচটোৰ ভিতৰৰ পৰা কিবা এটা হাতত লৈ, সৰবৰকৈ কৰবালৈ ওলাই গ'ল। অৰুণিমাই কোনো ৰকমে বিচনাৰ পৰা উঠিবলৈ চেষ্টা কৰি মাত লগালে, 'কি নিছে সেইটো?" এইবাৰো সি একো নামাতিলে। কিন্তু অৰুণিমাই যে কিবা এটা ভয় লাগিছে; 'কি নিছে সেইটো? তাই কৰা প্ৰশ্নটোৰ পৰাই সি বুজিব পাৰিছে। সি ভাবিলে, কথাখিনিৰ অৱশ্যে ঠিক কব পাৰিলেহেঁতেন, কিন্তু কিছু সময়ৰ বাবে নকলেও কোনো আপত্তিৰ কাৰণ হ'ব নোৱাৰে। নৱেন মাষ্টৰে সৰ-মেদাকৈ খোজ দি মূল বাট পথত উঠিলহি। দুই এজন পথচাৰীৰ লগত নৱেন মাষ্টৰেও সৰু খোজেৰে হাতত টোপোলাটোলৈ সমুখৰ ফালে খোজ দিবলৈ ধৰিলে। অলপদূৰ গৈ সি ৰাস্তাৰ কাষৰ মানুহ এঘৰত সোমাই থকা দুৱাৰত টুকুৰিয়াবলৈ ধৰিলে। কিন্তু মানুহ ঘৰৰ ভিতৰৰ পৰা কোনো উত্তৰ নাপালে। পুনৰ সি ৰাস্তাত উঠি আগতকৈ বহু বেগেৰে খোজ দিবলৈ ধৰিলে। এনেতে সমুখৰ পৰা তীব্ৰবেগত অহা এখন মটৰ চাইকেলৰ পোহৰত চকু চাট্ মাৰি ধৰিলে। দুজন যুৱা আৰোহী যুৱক অহা মটৰচাইকেলে সৰে তেওঁক জোৰেৰে খুন্দা মাৰি মাটিত বাগৰাই গুচি গ'ল। সি একো চিঞৰিবই নোৱাৰিলে। সমস্ত দেহ তেজেৰে লুতুৰি পুতুৰি হৈ মাটিত পৰি থাকিল। মুহূৰ্তকতে হুৱা-দুৱা লাগি গ'ল। আকাৰত দুই এজন মানুহ তেওঁৰ ফালে আগুৱাই আহিল।


ঘটনাৱলীয়েই লক্ষেন আইৰ প্ৰাণবন্ধু হৈ গ'ল। আমো দূৰে দূৰে চিটিকি পাৰি ৰ'ল, তাতে ত্ৰিয়া টোপোলাটোৰ বাহিদ বস্তু কেইমান মান।

# কবিতাৰ কৰণি.....

# সোঁৱৰণি


শ্ৰী বিজিত দাস
পঞ্চম ষাণ্মাষিক

নিতাল ৰাতি মায়াৰ জালে ঢাকি
বাঁহীটিৰ কৰুণ সুৰ আহিছে ভাঁহি
কোনোবাই উচুপি উচুপি কান্দিছে
নিঃশব্দ হৃদয়ৰ কাঁচঘৰ ভেদি
জেৰেঙা পথাৰত জয়মতী নাই
আছে মাথোঁ জেৰেঙাৰ কাহ্নি
কোনে বাৰু জানে ইয়াতে এদিন
শেষ হৈছিল জয়মতী আই।
ৰংঘৰৰ বাকৰিত সেই খুঁজ চাওঁলে
ৰুদ্ৰসিংহ আৰু নাই
অসমৰ কীৰ্তি ৰংঘৰ আজি
হৈছে সমস্ত ক্ষয়।
মুলাগাভৰুৱে বিদ্ৰূপ কৰিছে
ধোঁৱাৰ লেকামত ৰবি
দূৰৈত শুনিছো শত্ৰুৰ অহংকাৰ
অসমবাসীৰ নিদ্ৰা ভগা নাই
লাচিত বৰফুকনৰ তেজধাৰো আজি
তিৰবিৰাই জিলিকা নাই।



# জীয়াঢল

শ্ৰীমতী দেবাজ্যোতি শইকীয়া সোনোৱাল
তৃতীয় ষাণ্মাসিক



জীয়াঢল !
তই বাৰু কিয় ইমান নিষ্ঠুৰ ?
প্ৰতিটো বাৰিষাত তোৰ ভৰা যৌৱন ।
তই বাৰু কিয় বাৰে বাৰে
কৃষকৰ হাড়ভঙা পৰিশ্ৰমক মচিমূৰ কৰ ?
লখিমপুৰকে বাৰু অহা পথাৰখন উদং কৰ
তোৰ কি জঘন্য অভ্যাস ?
তই বাৰু বুজনে ?
কৃষকৰ মনৰ অৱস্থা
কৃষকৰ পেটৰ খুৱনি আৰু চকুপানীৰ ধাৰা ?
আৰু তই বাৰু কিয় বাৰে বাৰে
কাঢ়ি লৈ যাৱ
মানুহৰ ৰঙীন সপোন ।

# এজাক বৰষুণ

শ্ৰীমতী পৰিস্মিতা বুঢ়াগোহাঁই
পঞ্চম ষাণ্মাষিক

ঝুৰ ঝুৰ শব্দৰে
নামি অহা এজাক বৰষুণ

ঘঁহি ঘঁহি নিকা কৰিব নোৱাৰিবা
কংক্ৰীটৰ পৃথিৱীত কৰালে মাৰি ধৰা
ৰক্তৰ চেকুৰাবোৰ গুচাবলৈ
এজাক ধাৰাসাৰ বৰষুণ লাগে
দানৱীয় ৰক্তৰে উন্মাদনা কৰি তোলা
নৰপিশাচৰ বুকুত
প্ৰজ্বলিত দাবানল নিঃশেষ কৰিবলৈ
বিষাদমগ্ন হৃদয়ৰ আকুলতা গুচাবলৈ
নামি আহক আজি
দোপালপিটা এজাক বৰষুণ ।



# ৰাতি

শ্ৰীমতী দীপশিখা লালুং
প্ৰথম ষাণ্মাসিক

ৰাতিবোৰ বৰ উদাস
পূৰ্ণিমাৰ ৰাতিবোৰ তাতোকৈ বেছি
জোনৰ স্নিগ্ধ কিৰণে
খুচৰি আনিব নোৱাৰে
হেৰাই যোৱা সজীৱতা
বুকুত হাত সাৱটি
উদাসীনতাত বুৰ গৈ
জোনটোত আকাশত
কুঁচি-মুচি শুই পৰে ...।

# পূৰ্ণ হ'ব মোৰ আশা

শ্ৰী কল্পনা দাস
প্ৰথম ষাণ্মাসিক


বিষাদ ভৰা জীৱনটোত যন্ত্ৰণা কাতৰ
চিঞৰবোৰে কিবলি আহিছে
অকলশৰীয়া নিৰ্জন ৰাতিটোত
নিজকে বৰ অসহায় যেন লাগিছে।
এই বাৰু অকলশৰীয়া হৈ পৰিছো নেকি ?
মোৰ কাষত আজি আপোন বুলিবলৈ
কোনোৱে নাই নেকি ?
আকৌ ভাবি পৃথিৱীলৈ আহিছো অকলে
যামগৈ অকলেই
দি দিওঁ নিজকে সান্ত্বনা এইদৰে ।
পিছত ভাবো সুধাকণ্ঠ কোৱাৰ দৰে
" মানুহ মানুহৰ বাবে ।"
মানুহ যদি মানুহ নহয়
মানুহ যদি দানৱ হয় তেন্তে
কোনোবাই জানো বুজিব
আইৰ মমতা কি ?
পাষণ্ড মানৱে ৰক্ত পিপাসু হৈ
নিৰ্জন ৰাতিটোক কৰি তুলিছে বীভৎস
মাতাল ৰাতি আন্ধাৰৰ গলিবোৰত
বেশ্যাই কৰিছে আৰ্তনাদ
এইবোৰৰ দোষত নিশাত
হৈ আছো এই
কাৰণ

# শৰতৰ ৰাতিপুৱা

শ্ৰীমতী গীতাঞ্জলী বুঢ়াগোহাঁই
প্ৰথম ষাণ্মাসিক

শৰতৰ ৰাতিপুৱা
কুঁৱলীৰ বগা চাদৰে
চৌপাশৰ বননিখন
মোহনীয় কৰি তুলিছে ।
আকাশৰ পৰা টোপ্ টোপকৈ
নিয়ৰৰ মুকুতা সৰি পৰিছে
শেৱালিৰ ডালত উলমি থকা
চৌপালবোৰে তিৰবিৰাইছে ।
পুৱাতে গোন্ধাইছে শেৱালী শেৱালী
তোমাৰ দুচকুত জিলিকি উঠিছে
কোমল ৰদৰ হাঁহি
চৌপাশে জিলিকিছে
দুবৰিৰ মুকুতা সৰি ,
শৰতৰ প্ৰেমত পৰি
শেৱালী হৈ ফুলিছিলোঁ
তোমাৰ ডালত
আৰু নিয়ৰে দিছিল
সৰসৰ পটি চৌপালে ,


মই যে অসহায়
মই যে অকলশৰীয়া।
এই জগতৰ আমিবোৰ দুদিনীয়া পথিক
এই আছোঁ, এই নাই
যাবতো লাগিবই এইয়াই পৃথিৱীৰ নিয়ম
যোৱাৰ আগতে এবাৰতো ভাবো
মোৰ মৃত্যুৰ দিনা ওলাবনে
কাৰোবাই অনুভৱ কৰিবনে
মোৰ বিনে নিসংগতাক ?
ভাল পথ একা-বেঁকা
বেয়া পথ চিধা
ভালে কৰে চিৰযুগমীয়া
বেয়াই কৰে ক্ষন্তেকীয়া
গতিকে
হে সহোদৰসকল আহক
সকলোৱে মিলি হত্যা-হিংসা দূৰকৰি
শান্তি দুৱাৰ আনো
বোমা বাৰুদৰ ঝন-ঝন শব্দ নোহোৱা কৰি
ঐক্য ভাৱ গঢ়ি তোলো।
আশা-প্ৰত্যাশাৰ মাজেৰে পাৰ হয় জীৱন
বাট চাই আছোঁ মাথো
পূৰ্ণ হব বুলি মোৰ শেষ আশা কন।



তেওঁৰ বাবে

শ্ৰীমতী ৰবিনা সোনোৱাল
পঞ্চম ষাণ্মাসিক


তেওঁৰ বাবেই
মোৰ কবিতা সৃষ্টি
তেওঁৰ বাবেই
মোৰ কবিতাই
কেতিয়াবা কান্দে
কেতিয়াবা বেদনাৰ ককবকানিত উচুপে
কেতিয়াবা আহ্লাদত,
উশৃংখল পখীবোৰে সৰাদি উৰে
কেতিয়াবা পায় হেকৰাত
পাব বিচাৰিও নোপোৱাৰ বেদনাত
হুতাশাত ভুগে
আৰু কেতিয়াবা ....... ?



# ৰক্তাক্ত হৃদয়

শ্ৰীমতী বিভাৰানী কছাৰী
পঞ্চম ষাণ্মাসিক

কেতিয়াবা যদি জীৱনক সুধোঁ
জীৱন মানে নো কি?
তেতিয়া জানো জীৱনে নকয়
জীৱন এক সংগ্ৰাম বুলি!
হয়, এই নিষ্ঠুৰ জীৱনেই
এক সংগ্ৰাম।



এইয়া কি যে এক নিষ্ঠুৰ জীৱন
আন্তৰিক থাকিলে এই জীৱনত
আছেনে বাট নাই এই বাট আজি
বন্ধ, নিৰ্বিকাৰ।
আছে আমাৰ সমাজৰ দুৰ্নীতি
আছে আমাৰ লাঞ্ছনা, অপমান
সমাজৰ এনে ব্যভিচাৰ ব্যক্তিবোৰে
আন্তৰিক থাকিলে নিদিয়ে
উন্নতিৰ পথত
কিয়? মানুহবোৰ ইমান স্বাৰ্থপৰ
কিয়? আজি এই প্ৰশ্নৰ উত্তৰ নাই
আছে আমাৰ সমাজত তিক্ত তোৰা
মানৱ জীৱনৰ ৰক্তাক্ত এখন হৃদয়
এই হৃদয়ে কেতিয়াও মুক্ত হ'ব নোৱাৰে
সমাজৰ দুৰ্নীতি কবলৰ পৰা
নোৱাৰিলে আজিও মুক্তি পাবলৈ
এই নিষ্ঠুৰ জীৱনে।

সেয়েহে আজি পিত্ৰতৰি পিত্ৰতৰি কষ্ট
পহিয়া জীৱন নহয় -
এমন সমাজত অপমানিত হোৱা
ৰঙাক্ত আছে।

# অন্যান্য প্রশিক্ষণ...

## জানিব লগীয়া কথা :—

শ্ৰীমতী ববৰ্ষা কোঁচ
পঞ্চম ষান্মাষিক

(১) চাৰিধাম =
(১) শ্ৰীজগন্নাথ (২) শ্ৰীদ্বাৰিকানাথ
(৩) শ্ৰীৰামনাথ (৪) শ্ৰীবদ্ৰিনাথ

(২) চাৰিবেদ =
(১) ঋক (২) যজু
(৩) সাম (৪) অথৰ্ব

(৩) চাৰিআশ্ৰয় =
(১) দেৱ (৩) গুৰু
(৩) নাম (৪) ভকত

(৪) চাৰিসিদ্ধি —
(১) সনক (২) সনৎকুমাৰ
(৩) সনন্দ (৪) সনাতন

(৫) চাৰি শাস্ত্র =
(১) শংখ (২) চক্ৰ
(৩) গদা (৪) পদ্ম

(৬) চাৰি পুৰুষাৰ্থ —
(১) ধৰ্ম (২) অৰ্থ
(৩) কৰ্ম (৪) মোক্ষ

(৭) বিষ্ণুৰ দশ অৱতাৰ =

① মৎস্য ② কুৰ্ম্ম
③ নৰসিংহ ④ বামন
⑤ পৰশুৰাম ⑥ হলিৰাম
⑦ বৰাহ ⑧ শ্ৰীৰাম
⑨ বুদ্ধ ⑩ কল্কি

(৮) দশ প্ৰাণ —

① প্ৰাণ ② অপান
③ সমান ④ উদান
⑤ ব্যান ⑥ নাগ
⑦ কৃকৰ ⑧ কুৰ্ম্ম
⑨ দেৱদত্ত ⑩ ধনঞ্জয়

(৯) সাতপাতাল —

① অতল ② বিতল
③ সুতল ④ তলাতল
⑤ মহাতল ⑥ ৰসাতল
⑦ পাতাল

ফকৰা-যোজনা ঃ

(১) অতি ভক্তি চোৰৰ লক্ষণ (২) অধিক মাছত বগলী কণা
(৩) উপকাৰীক অজগৰে খায় (৪) উঁইহঁতীয়া স বাঁহী প ৰহু
(৫) আপোনাৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰা।
(৬) অজ্ঞানীক জ্ঞান দি মনত পালোঁ কষ্ট, কণীবোৰ ভেদ্ৰুক্তি পেলোঁই বাহো কৰিলো নষ্ট

ডাকৰ বচন ঃ

(১) লেখি উঠৰা ডাকৰ গাঁও
আতকা আহোঁতা কুকুৰী নাও।

(২) গম্ভীৰ গতি গভীৰ মাত
দীঘল বাহু আঙুলি উন্নত
হিয়াৰ মাজত আখৰ আম
সিটো পুৰুষৰ লক্ষণ ভাল
গলত ৰেখা কুণ্ডলা কাণ
আজাৰ যানিবা দেৱ লক্ষণ

(৩) যি নাৰী প্ৰভাতে
নিদ্ৰা যায়
বাজী অন্ন্যাত দুখ্য পায়।।

সাঁথৰ ঃ

(১) আৰ্তৰ ভাঙোক, মোৰ গুৰু গোসাঁই সোমাই ৰ ভিতৰি হুলেক, মোৰ গুৰু কি ? (কোদাই)

(২) বজা টিক টিক পুৰুতৰ খুঁটি
কি কৰিলা সভাসদ
কি গছৰ গুটি ? (বোলি)

(৩) স্কুলত আহিলে টিপা, গৰু গাঁত পালেগৈ লিপা (স্থানিকৰণ)

কৌতুক:

(1) দুজন দুখোৰ অদায়ী বন্ধুৰ কথোপকথন-

হৰো :- কালি আমাৰ টেম্পুৰাম একজাপাল্লাৰ ইটা নমালে।



: ইট বাৰু কেনেকৈ?

: উৰাজিন চলাৰ ঠেঁপাত বাৰ্টিকা থাকি পাৰি আহিল।

: পিছে উৰাজিন চলাত খোৱাবলৈ আহিছিল নে আৰু কি উত্তাৰ্ণ হৈছিল?

: খোৱাবলৈ আহিছিল।

: ইঃ বাৰু টিং টিং বেচেৰাবো খেৰ কপাল।



অসমীয়া বিভাগৰ পঞ্চম ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰী সকল( ২০১৭-১৮) বৰ্ষ
ধেমাজি মহাবিদ্যালয়।